
# পাঠ - ১২

# নামৰ বেবেৰিবাং

*মানুহ, জীৱ-জন্তু, গছ-গছনি সকলোৰে একো একোটা নাম আছে। প্ৰত্যেক নামৰে নিজস্ব অৰ্থ থাকে। কিন্তু বাস্তৱ ক্ষেত্ৰত কেতিয়াবা নামটোৰ অৰ্থৰ লগত সেই নামধাৰী জীৱটোৰ দৈহিক, মানসিক আৰু কৰ্মৰ সামঞ্জস্য নাথাকে। এনে অমিল কথাই কেতিয়াবা আমাক আনন্দৰ খোৰাক যোগায়। এই উপাদানক মূলধন হিচাপে লৈ সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাই ৰচনা কৰা এটি ব্যঙ্গাত্মক ৰচনাৰ সোৱাদ এই পাঠটিত পাবা।*

মাক-বাপেকে মৰমতে কণা ল'ৰাৰ নাম পদ্মলোচন ৰাখিলে ল'ৰাটোৰ মূল্য নেবাঢ়িব পাৰে কিন্তু নুটুটে। পিছে সাউদৰ পুতেকৰ নাম যদি টোকোনাচন্দ্ৰ বা দুখুৰাম ৰখা হয় তেন্তে সাউদ কোঁৱৰৰ গা বেজবেজাই নেযাবৰ কাৰণ নাই। সেয়ে হৈছিল সোণাপুৰৰ নিধনীৰামৰ। গাঁওখনৰ নাম সোণাপুৰ হ'লেও তাৰ মানুহবিলাক আছিল ডাল-দৰিদ্ৰ, একমাত্ৰ নিধনীৰামৰ বাহিৰে। নামটো নিধনীৰাম হ'লেও মানুহজন আছিল দৰাচলতে ধনী। ধনে-জনে তেওঁৰ ৰবৈয়া গৃহস্থালি।



গোহালিত গৰু, পুখুৰীত মাছ, ভঁৰালত ধান, পেটাৰিত ধন— কোনোফালেই নিধনীৰামে অভাৱৰ মুখ দেখা পোৱা নাছিল। তথাপি মানুহে তেওঁক নিধনী বুলিহে মাতে। এই নামটোৰে মতা শুনিলেই তেওঁৰ গাত যেন বিছা-বৰলে ডাকে। সদায় নিধনীৰামে ইয়াৰ প্ৰতিকাৰৰ কথাকেই ভাবি থাকে। ভাবি ভাবি মনৰ দুখত ঘৰৰ পৰা ওলাই গ'ল। গৈ গৈ এঘৰৰ পদূলিমুখত তেওঁ এজোপা মৰা গছ এজন মানুহে কুঠাৰেৰে কাটি থকা দেখা পালে। নিধনীয়ে গিৰিহঁতক সুধিলে— "এই জোপা কি গছহে ককাই?"

গিৰিহঁতে ক'লে — 'অমৰা'।

নিধনীয়ে ক'লে— 'থোৰাহে দেও, মৰা গছো অমৰা হ'ব পাৰেনে?'

গিৰিহঁতে ভেকাহি মাৰি ক'লে — "পাৰে নে নোৱাৰে তুমি মোক শিকাব নেলাগে। মোৰ অমৰা গছ তোমাৰ মুখৰ কথাতে নমৰাকৈ থাকিব নোৱাৰে।" নিধনীৰামে আৰু একো নকৈ সুৰসুৰকৈ তাৰ পৰা আঁতৰি গ'ল। গৈ গৈ তেওঁ এটা নিজৰা পালেগৈ। নিজৰাটোৰ পাৰত খেলি থকা এজাক ল'ৰা-ছোৱালীক নিধনীয়ে সুধিলে— "এই পানীদৰাৰ নাম কি তোমালোকে ক'ব পাৰানে মইনাহঁত?"

সিহঁতে ক'লে— "পাৰোঁতোন— নিজৰা।"




নিধনীয়ে একো নেমাতিলে। তেওঁ মনে মনে ভাবিলে মাথোন— মৰা গছো অমৰা হয়, জিৰ্ জিৰ্কৈ জৰি থকা পানীও নিজৰা হয়। আৰু কেইখোজমান গৈ তেওঁ পথাৰত এজন হালোৱা মানুহ দেখা পালে। প্ৰখৰ ৰ'দত মানুহটোৱে এহাল মৰচেৰেলা গৰুৰে হাল বাই আছিল। নিধনীয়ে সুধিলে— "হেৰা মানুহটো! তোমাৰ নামটো কি?"

মানুহ— "মোৰ নাম মৰা।"

নিধনী — "বোলো কোৱা কি? তুমি দেখোন জীয়া। মৰা হ'লা কেনেকৈ?"

DAILY ASSAM



মানুহ— "জীয়াই হওঁ বা মৰাই হওঁ তুমি মোৰ নামটো সলাই দিব নেলাগে দৌতা! আই-বোপায়ে দিয়া মোৰ নাম 'মৰা' বুইছা।"

মানুহজনৰ সমিধান শুনি নিধনীৰ পেটে পেটে হাঁহিহে উঠিল। ইয়াকে বোলে গাত নাই ছাল-বাকলি, গাখীৰ খায় তিনি টেকেলি। সেয়েহে জীয়া মানুহজনো হৈছে মৰা। তেওঁ আকৌ আগবাঢ়ি গ'ল।

এইবাৰ তেওঁ এটা হোলাত ফটাকানি পিন্ধা এজনী জাঁটলী ছোৱালীয়ে জকাই বাই থকা দেখা পালে। নিধনীয়ে সুধিলে— "আইকণ! তোমাৰ নাম কি? মাছ পাইছানে নাই?"

ছোৱালীজনীয়ে ক'লে— "জকাই বাইছোঁহে বাইছোঁ, খলিহা-পুঠী এটাও পোৱা নাই দেউতা। আপুনি মোৰ নামটো সুধিছিল নহয়— মোৰ নাম লখিমী।"



নিধনীয়ে ছোৱালীটিক আৰু একো নুসুধি মনে মনে ভাবিলে—

অমৰা মৰে, নিজৰা জৰে  
মৰাই বায় হাল,  
লখিমীয়ে পিন্ধে ফটাকানি  
মই নিধনী হোৱাই ভাল।

DAILY ASSAM

এই সজ শিক্ষা লভি সন্তোষ মনেৰে নিধনীৰাম ঘৰত উপস্থিত হ'লগৈ।

*উৎস— কাহিনীটো সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাৰ শিশু-সাহিত্য সম্ভাৰ, দ্বিতীয় খণ্ড, সম্পাদনাঃ সূৰ্য্য হাজৰিকা, পৃষ্ঠা- ৯৩৯-৯৪০ ৰ লোৱা হৈছে।*

☛ *কাহিনীটো আজিৰ পৰা বহু বছৰৰ আগতে ৰচনা কৰা হৈছিল। কাহিনীটো ৰচনা কৰোঁতে নামৰ অৰ্থৰ লগত চৰিত্ৰৰ বিপৰীত অৰ্থৰ প্ৰকাশক অৱস্থাটোৱে হাঁহিৰ উৎস হিচাপে কাম কৰিছিল। তেতিয়া দিব্যাংগসকলৰ কথা বিশেষভাৱে আজিৰ নিচিনাকৈ গুৰুত্ব দিয়া হোৱা নাছিল। গতিকে পাঠটো পঢ়াওঁতে দিব্যাংগসকলে যাতে আঘাত নাপায় সেই বিষয়ে লক্ষ্য ৰাখিব। মূলত থকা কিছুমান শব্দ ছাত্ৰ-ছাত্ৰীৰ উপযোগী হোৱাকৈ সলনি কৰা হৈছে।*

### জানো আহা

সাহিত্যাচাৰ্য **অতুল চন্দ্ৰ হাজৰিকা (১৯০৩-১৯৮৬)ঃ**



এগৰাকী কবি, নাট্যকাৰ, গদ্যলেখক আৰু শিশু-সাহিত্যিক। ১৯৫৩ চনৰ পৰা ১৯৫৬ চনলৈ তেখেত একাদিক্ৰমে তিনিবাৰ অসম সাহিত্য সভাৰ সাধাৰণ সম্পাদক পদত নিৰ্বাচিত হৈছিল। ১৯৫৯ চনৰ অসম সাহিত্য সভাৰ নগাঁও অধিৱেশনত তেখেতে সভাপতিত্ব কৰিছিল। অসম সাহিত্য সভাই ১৯৮২ চনত তেখেতক সাহিত্যাচাৰ্য উপাধিৰে বিভূষিত কৰে।

## ক্ৰিয়া-কলাপ

১। পাঠটো শুদ্ধ উচ্চাৰণেৰে আৰু নাটকীয় ভংগীৰে পঢ়া।

২। পাঠটো পঢ়ি কাহিনীটো চমুকৈ কোৱা।

৩। পাঠটোৰ আধাৰত সংলাপখিনি ভগাই ভগাই কোৱা।

৪। তলৰ শব্দসমূহৰ অৰ্থ কাঢ়ঁ চিন দি মিলোৱা।

| শব্দ | অৰ্থ |
|---|---|
| নুটুটে | নদন-বদন, ধনে-জনে পৰিপূৰ্ণ |
| ৰৈয়া | কোনো শব্দ বা ওজৰ-আপত্তি নকৰাকৈ |
| ডাল-দৰিদ্ৰ | জঁপা, ঢাকনি থকা বেতেৰে তৈয়াৰ কৰা কাপোৰ-কানি ৰাখিব পৰা এবিধ যতন |
| বেজবেজাই | জাকৈ (বাঁহেৰে সজা তিনিকোণীয়া মাছ মৰা সঁজুলি) |
| সুৰসুৰকৈ | নকমে |
| মৰচেৰেলা | ডাকি যোৱাকৈ, ৰিজ্‌বিজনি অনুভৱ কৰা |
| জকাই | অতি দুখীয়া |
| পেটাৰি | শুকাই-ক্ষীণাই মৰাৰ নিচিনা হোৱা |

৫। উত্তৰ দিয়া।

(ক) নিধনীৰামৰ ঘৰ ক'ত আছিল?

(খ) নিধনীৰাম অভাৱী আছিল নেকি?

(গ) মানুহজনে কাটি থকা গছজোপাৰ নাম কি?

(ঘ) হালোৱা মানুহজনৰ নাম কি আছিল?

DAILY ASSAM

৬। কোনে, কাক কৈছিল কোৱা

(ক) 'এই জোপা কি গছহে ককাই?'

(খ) 'পাৰোঁতোন— নিজৰা।'

(গ) 'মোৰ নাম মৰা।'

☛ *পাঠটোৰ নাট্য ৰূপ দি ছাত্ৰ-ছাত্ৰীৰ হতুৱাই অভিনয় কৰাব।*

(ঘ) 'বোলো কোৱা কি? তুমি দেখোন জীয়া। মৰা হ'লা কেনেকৈ?'

(ঙ) 'জকাই বাইছোঁহে বাইছোঁ, খলিহা-পুঠী এটাও পোৱা নাই দেউতা।'

উত্তৰ দিয়া।


৭। **নিধনীৰামক গাঁৱৰ মানুহে নিধনীৰাম বুলি মাতিলে কিয় তাৰ গা বেজবেজাইছিল লিখা।**

৮। **নিধনীৰামে শেষত ভবা যোজনা ফাকিৰ অৰ্থ লিখা।**

৯। **তলৰ 'ক'-অংশৰ শব্দৰ লগত 'খ'-অংশ মিলাই লিখা**

| ক-অংশ | খ-অংশ |
|---|---|
| গোহালিত | ধান |
| পুখুৰীত | তামোল-পাণ |
| ভঁৰালত | মাছ |
| বাৰীত | গৰু |
| শাকনিত | কোমোৰা |
| চালত | ফুল |
| ফুলনিত | শাক |

১০। **তলৰ ছবিখন ভালদৰে চোৱা আৰু ছবিৰ কথাখিনি কাহিনী আকাৰে লিখা।**



*☛ ৯ নম্বৰ ক্ৰিয়া-কলাপটো কৰাওঁতে আগৰ শ্ৰেণীত পঢ়ি অহা 'আমাৰ গাঁও' পদ্যটোৰ কথা আলোচনা কৰিব।*

DAILY ASSAM

১১। পাঠটোত মাক-বাপেক, ল'ৰা-ছোৱালী আদি কেইবাটাও সম্বন্ধবাচক যুৰীয়া শব্দ আছে। 'ক-অংশ'ৰ লগত 'খ-অংশ'ৰ শব্দ লগ লগাই উদাহৰণত দিয়াৰ দৰে যুৰীয়া শব্দ গঠন কৰা।

উদাহৰণ ঃ ককা — আইতা


| ক-অংশ | | | খ-অংশ |
|---|---|---|---|
| ভাই | ☐ — ☐ | | বোপাই |
| আই | ☐ — ☐ | | পেহী |
| পেহা | ☐ — ☐ | | জোঁৱাই |
| জী | ☐ — ☐ | | আমৈ |
| শাহু | ☐ — ☐ | | ভনী |
| তাৱৈ | ☐ — ☐ | | শহুৰ |

১২। তলৰ শব্দবোৰৰ বিপৰীত অৰ্থ প্ৰকাশক শব্দ লিখা।

| | | | |
|---|---|---|---|
| ভাল → | ☐ | নেলাগে → | ☐ |
| জীয়া → | ☐ | নুটুটে → | ☐ |
| নিধনী → | ☐ | নোৱাৰে → | ☐ |
| বহল → | ☐ | নেমাতিলে → | ☐ |

**জানো আহা**

**জতুৱা ঠাঁচত ক্ৰিয়াৰ প্ৰয়োগ**



→ বিছাই ডাকে

সাপে খোটে
সাপে দংশে ←





→ হাল বায়
হাল টানে
হাল জোৰে
হাল সামৰে
হাল মেলে

চকুত লগা
চকু ফুৰা ←



১৩। (ক) **বাক্য ৰচনা কৰা।**

| গা বেজবেজাই যা, ডাল-দৰিদ্ৰ, ভেকাহি মাৰ্, গা নচুৰাই ফুৰ্ |
|---|

(খ) 'ধন' শব্দটোৰ লগত 'ঈ' প্ৰত্যয় যোগ হৈ ধনী শব্দটো গঠিত হৈছে। তলত দিয়া শব্দবোৰৰ লগত 'ঈ' প্ৰত্যয় যোগ হ'লে কি হয় লিখোঁ আহা —

জ্ঞান + ঈ = ☐ মান + ঈ = ☐

দান + ঈ = ☐ সুখ + ঈ = ☐

গুণ + ঈ = ☐ দুখ + ঈ = ☐

☞ *পাঠটোৰ পৰা এটি দফা শ্ৰুতলিপি লিখিবলৈ দিব।*

DAILY ASSAM

## গ- জ্ঞান সম্প্ৰসাৰণ

১৪। আনে তোমাৰ বিষয়ে কোৱা কোনবোৰ কথাই তোমাৰ গা বেজবেজাই যায় লিখা ?

১৫। অসমৰ খাল-বিল, নৈত মাছ উভৈনদী হৈ আছে। সেইবোৰত উৎসৱ-পাৰ্বণ উপলক্ষে ৰাইজে সমূহীয়াকৈ মাছ মাৰে। তুমি দেখা (নিজ চকুৰে/দূৰদৰ্শনত/তথ্যচিত্ৰ আদিত) তেনেকুৱা মাছ ধৰা উৎসৱৰ বিষয়ে বৰ্ণনা কৰা।

১৬। লখিমীৰ চুলিকোছা জাঁটলী বা অবিন্যস্ত আছিল। তোমালোকেও তেনেকৈ ৰাখা নেকি ? যদি নাৰাখা, তেনেহ'লে তোমালোকে চুলি, দাঁত, ছাল আদি শৰীৰৰ অংগ-প্ৰত্যংগবোৰৰ কেনেধৰণে যত্ন লোৱা, দলত আলোচনা কৰি লিখা ?

১৭। পুৰণি কালত আমাৰ খেতিয়কসকলে গৰুৰে হাল বাই খেতি কৰিছিল। কিন্তু এতিয়া কি কি উপায়েৰে হাল বোৱা, মৰণা মৰা আদি কাম কৰে লিখা।

১৮। শ্ৰেণীকোঠাত তোমালোকে মুক অভিনয় কৰি দেখুওৱা—

(ক) ল'ৰাবোৰে ছোৱালীয়ে কৰা কাম।

(খ) ছোৱালীবোৰে ল'ৰাই কৰা কাম।

## ঘ — প্ৰকল্প

১৯। (ক) আমাৰ খেতিয়ক এজনে ব্যৱহাৰ কৰা আহিলা-পাতি নাঙল, যুঁৱলি, মৈ, জবকা, দলিমাৰি, জাপি, ৰয়না (কোৰোণা), বিন্ধা আদিৰ ছবি সংগ্ৰহ কৰি এলবাম প্ৰস্তুত কৰা।

(খ) তলৰ ছবিত দেখা সঁজুলিবোৰৰ নামৰ লগতে তাৰ ব্যৱহাৰ সম্পৰ্কে লিখা—



(গ) তোমালোকে প্ৰত্যেকেই নিজে গল্প, কবিতা লিখিবলৈ যত্ন কৰা আৰু বাতৰি কাকতত প্ৰকাশৰ বাবে মা-দেউতাৰাৰ সহায়ত পঠিয়াই দিয়া।

☛ ১৯ নং (ক) ক্ৰিয়া-কলাপটো কৰাওঁতে সম্ভৱ হ'লে বাস্তৱ সঁজুলি দেখুৱাব।